# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 09-11-2025

**Time :** 1715 Hrs.

## *Assamese Evening Bulletin*

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৈছে যে ৰাজ্য চৰকাৰে স্বচ্ছতাৰ ভিত্তিত নিযুক্তি প্ৰক্ৰিয়া গ্ৰহণ কৰাৰ ফলত বৰ্তমান যুৱক-যুৱতীসকলৰ মাজত নতুন প্ৰেৰণাৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত প্ৰাথমিক শিক্ষক পদৰ বাবে বাচনিকৃত ৰাজ্যৰ পাঁচ হাজাৰ ৫৫০ গৰাকী টেট উত্তীৰ্ণ প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান কৰি ভাষণ প্ৰসঙ্গত এই কথা প্ৰকাশ কৰে। আজি নিম্ন প্ৰাথমিক বিদ্যালয়ৰ তিনি হাজাৰ ৮০০ গৰাকী আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ এহেজাৰ ৭৫০ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ বিতৰণ কৰা হয়। বৰ্তমান সময়ত ৰাজ্য চৰকাৰে স্বচ্ছতা আৰু মেধাসম্পন্ন লোকৰ নিযুক্তিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰাৰ ফলত যুৱক-যুৱতীসকলৰ মাজত পঢ়া-শুনা কৰিলে চৰকাৰী নিযুক্তি পাব পাৰি বুলি আশাৰ সঞ্চাৰ হৈছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বৰ্তমান সময়ৰ নিযুক্তিৰ পৰিবেশ ৰাজ্যত পূৰ্বতে কেতিয়াও হোৱা নাছিল বুলি তেওঁ উল্লেখ কৰে। ৰাজ্যত শিক্ষাৰ পৰিবেশ গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ড০ শৰ্মাই কয় যে বৰ্তমান ৰাজ্যখনত শিক্ষিত যুৱক-যুৱতীৰ ভালেমান প্ৰয়োজন আছে। চৰকাৰী খণ্ডত সংস্থাপন নোপোৱা যুৱক-যুৱতীসকলে ব্যক্তিগত খণ্ডত নিযুক্তি পাব পৰাৰ এটা পৰিবেশ ৰাজ্যখনত সৃষ্টি হৈছে বুলি ভাষণ প্ৰসঙ্গত তেওঁ জাগীৰোডৰ ছেমিকণ্ডক্টৰ প্ৰকল্প তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ উদ্যোগসমূহত নিযুক্তিৰ সুবিধা পাব পৰাৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰাৰ পাছতেই মন্ত্ৰীসভাৰ এখন কমিটী গঠন কৰি ৰাজ্যত ১ লাখ নিযুক্তি দিয়াৰ পৰিকল্পনা কৰা হৈছিল বুলি তেওঁ উল্লেখ কৰে। সেই অনুসৰি ৰাজ্যত ডাক্তৰ-নাৰ্চ, শিক্ষকৰ লগতে বিভিন্ন খণ্ডত পৰ্যায়ক্ৰমে নিযুক্তি প্ৰদান কৰা হৈছে। ইয়াৰ বাবে খালী থকা অথবা নতুন পদ সৃষ্টি কৰি নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। পৰৱৰ্তী বৰ্ষসমূহত ডেৰ লাখৰ পৰা প্ৰায় ২ লাখ নিযুক্তি দিয়াৰ প্ৰয়াস কৰা হ'ব বুলি তেওঁ ভাষণত উল্লেখ কৰে। ৰাজ্যত উন্নত শিক্ষাৰ পৰিবেশ গঢ়ি তোলাৰ বাবে চৰকাৰী বিদ্যালয়ক উন্নত বিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ চেষ্টা কৰা হৈছে। বিশেষকৈ চাহ বাগিচা অঞ্চলত উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন কৰা হৈছে। ইয়াৰ ফলত বিগত দুই-তিনিটা বছৰত শিক্ষানুষ্ঠানসমূহলৈ পুনৰ ছাত্ৰ-ছাত্ৰী উভতি আহিছে বুলি উল্লেখ কৰে। বিশেষকৈ চাহ বাগিচা অঞ্চলত বিদ্যালয়লৈ অহা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি হৈছে বুলি তেওঁ উল্লেখ কৰে। ৰাজ্যত উচ্চ শিক্ষাৰ ক্ষেত্ৰত ঠায়ে ঠায়ে বিশ্ববিদ্যালয় স্থাপন কৰা হৈছে আৰু ১৬খন নতুন বিশ্ববিদ্যালয় স্থাপনৰ বাবে ৰাজ্য চৰকাৰে বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে।

উল্লেখযোগ্য যে অহা ১৩ নৱেম্বৰত স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে বাচনিভুক্ত সাত হাজাৰ ৮৫০ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

০০০০০০

৯৩ সংখ্যক বায়ু সেনা দিৱস উপলক্ষে আজি গুৱাহাটীৰ লাচিত ঘাটত অনুষ্ঠিত কেন্দ্ৰীয় অনুষ্ঠানৰ অংশ হিচাপে এয়াৰ শ্ব' অৰ্থাৎ যুদ্ধ বিমানৰ উৰণ কৌশল প্ৰদৰ্শন কৰা হয়। কেন্দ্ৰীয়ভাৱে আয়োজিত এই এয়াৰ শ্ব'ত ৰাফেল, মিগ, ছুখয় আদি ৭৫ খন বিমান আৰু হেলিকপ্তাৰে ভাগ লয়। এই প্ৰদৰ্শনী উপভোগৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ

ছাত্ৰ-ছাত্ৰীসকলৰ লগতে বৃদ্ধাশ্ৰমৰ আবাসীসকলক আমন্ত্ৰণ জনোৱা হৈছে। অৱশ্যে এইক্ষেত্ৰত প্ৰশাসনে কিছু নীতি-নিৰ্দেশনা জাৰি কৰিছে। মহানগৰৰ অশ্বক্লান্ত মন্দিৰৰ প্ৰাংগণত অতিথিৰ বাবে এয়াৰ শ্ব' চোৱাৰ ব্যৱস্থা কৰা হৈছে। বায়ু সেনা বাহিনীৰ এই অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং উপস্থিত থকাৰ কথা আছিল যদিও বিশেষ কাৰণত তেওঁৰ ভ্ৰমণ বাতিল হয়। অনুষ্ঠানত ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাইলৈ আনুষ্ঠানিকভাৱে অন্ন সেৱা দিন মুকলি কৰিব।

ৰাজ্য চৰকাৰৰ খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ উদ্যোগত দক্ষিণ শালমাৰা মানকাচৰ জিলাত কাইলৈৰ পৰা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনস্থ পৰিয়ালক ৰাজ সাহায্যযুক্ত মচুৰ ডাইল, চেনী, আৰু নিমখ সুলভ মূল্যত যোগান ধৰা হব। এই সন্দৰ্ভত আজি দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ আয়ুক্ত ৰাহুল কুমাৰ গুপ্তাই সংবাদমেল সম্বোধন কৰি জিলাখনৰ ৪১৫ খন সুলভ মূল্যৰ দোকানত ৮৭ হাজাৰ ৫৮৭ টা পৰিয়ালক কাইলৈৰ পৰা এই সামগ্ৰী বিতৰণ কৰা হ'ব বুলি জানিবলৈ দিয়ে। প্ৰথম পৰ্যায়ত পৰিয়ালসমূহে প্ৰতি কিলোগ্ৰাম মচুৰ ডাইল ৬৯ টকা, নিমখ প্ৰতি কিলোগ্ৰামত ১০ টকা আৰু চেনী প্ৰতি কিলোগ্ৰামত ৩৮ টকা মূল্যত কিনিব পাৰিব।

০০০০০০

সমাজত এনে কেতবোৰ লোক আছে যিসকলে সচৰাচৰ আনে নকৰা কাম কৰাৰ প্ৰয়াস কৰি ইয়াত ফলৱতীও হয়। অসমত বিলুপ্তপ্ৰায় ৫০০ৰো অধিক থলুৱা ধানৰ প্ৰজাতি পুনৰুদ্ধাৰ কৰি সংৰক্ষণ কৰা অথবা ৰাজ্যখনৰ হাবি-বননিয়ে সিঁচৰতি হৈ থকা প্ৰায় ৩০০বিধ কপৌ ফুল বা অৰ্কিড সংৰক্ষণ কৰাৰ দৰে কাম এওঁলোকে কৰিছে। আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত এইসকল ব্যক্তিক লগ পাব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

**সমাপ্ত**